**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 09-08-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***
*::::::::::::::::::::::::::::::::::::*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক হৰ ঘৰ তিৰংগা কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিকশিত ভাৰত নিৰ্মাণত অৱদান আগবঢ়াবলৈ আহ্বান জনাইছে।
২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে পুডুচেৰীৰ মুৰুগা থিয়েটাৰ চিগনেলত হৰ ঘৰ তিৰংগা যাত্ৰা মুকলি কৰে।
৩। প্ৰধান মন্ত্ৰী আৱাস যোজনা নগৰীয়া আঁচনিৰ অধীনত এতিয়ালৈকে ১ কোটি ২৫ লাখৰো অধিক বাসগৃহত অনুমোদন জনোৱা হৈছে।
৪। অসমত শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত জিলাকেইখনত আজিৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হৈছে। ***আৰু***
৫। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীয়ে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা সন্দৰ্ভত মন্ত্ৰালয়ৰ সচিব আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক হৰ ঘৰ তিৰংগা কাৰ্যসূচীত উদ্যমেৰে অংশগ্ৰহণ কৰি বিকশিত ভাৰত নিৰ্মাণত অৱদান আগবঢ়োৱাৰ সামূহিক সিদ্ধান্তক অধিক দৃঢ় কৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে তিৰংগা পতাকাখন হৈছে দেশৰ গৌৰৱ আৰু দেশৰ বাবে সৰ্বোত্তম সেৱা আগবঢ়োৱাৰ বাবে নিৰৱছিন্ন প্ৰেৰণাৰ উৎস। প্ৰধানমন্ত্ৰীয়ে বছৰটোৰ প্ৰচেষ্টাসমূহ বন্দে মাতৰমৰ ১৫০ বছৰীয়া বাৰ্ষিকী উপলক্ষে উৎসৰ্গা কৰাত সন্তুষ্টি প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, দেশজুৰি হৰ ঘৰ তিৰংগা অভিযান আজি আৰম্ভ হৈছে। ১৭ আগষ্টত এই অভিযানৰ সামৰণি পৰিব। এই অভিযানৰ জৰিয়তে ৰাষ্ট্ৰীয় পতাকা উত্তোলন তথা দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ উদযাপনত অংশ লোৱাৰ বাবে দেশৰ নাগৰিকসকলক উৎসাহিত কৰাৰ লক্ষ্য লোৱা হৈছে। ২০২২ চনত স্বাধীনতাৰ অমৃত মহোৎসৱ উদযাপনৰ অংশ হিচাপে আৰম্ভ কৰা এই অভিযান সম্প্ৰতি দেশৰ সৰ্ববৃহৎ ৰাজহুৱা অংশগ্ৰহণমূলক অভিযানলৈ পৰিণত হৈছে। এই অভিযানে সকলো নাগৰিকক ত্ৰিৰংগ পতাকাক ভাৰতৰ একতা, সন্মান আৰু সামূহিক ৰাষ্ট্ৰীয় পৰিচয়ৰ চিহ্ন হিচাপে উদযাপনৰ বাবে অনুপ্ৰাণিত কৰি আহিছে। এই বছৰ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে হৰ ঘৰ তিৰংগা অভিযানে বিশেষ গুৰুত্ব বহন কৰিছে।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি পুডুচেৰীৰ মুৰুগা থিয়েটাৰ চিগনেলত হৰ ঘৰ তিৰংগা যাত্ৰা মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত পুডুচেৰীৰ উপ-ৰাজ্যপাল কে কৈলাশনাথন, গৃহমন্ত্ৰী এ. নমশিৱায়ম, কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী জি এন এছ ৰাজাশেখৰম আৰু বিজেপিৰ সভাপতি ভি পি ৰামালিংগম উপস্থিত থাকে। কেইবাহাজাৰ লোকে হাতত তিৰংগা পতাকা লৈ এই সমাবেশত অংশগ্ৰহণ কৰে।

ইয়াৰ পূৰ্বে গৃহমন্ত্ৰী শ্ৰীশ্বাহে গ'ৰিমেডুৰ আৰক্ষী প্ৰশিক্ষণ বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত ৰাষ্ট্ৰপতিৰ **পুলিচ কালাৰ** প্ৰদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই উপলক্ষে গৃহমন্ত্ৰীগৰাকীয়ে পুডুচেৰী আৰক্ষীক অভিনন্দন জনাই কয় যে ৰাষ্ট্ৰপতি পুলিচ কালাৰ লাভ কৰাটো যিকোনো অনুশাসিত আৰক্ষী বাহিনীৰ বাবে অন্যতম গৌৰৱময় ক্ষণ। তেওঁ কয় যে পুডুচেৰীৰ আৰক্ষীৰ সংখ্যা ৫ হাজাৰতকৈও কম যদিও ইয়াৰ আভ্যন্তৰীণ নিৰাপত্তা বজাই ৰখা তথা সুৰক্ষা দিয়া আৰু চহকী আধ্যাত্মিক

ঐতিহ্য থকা কেন্দ্ৰীয় শাসিত অঞ্চলটোত সন্মান আৰু মৰ্যাদা ৰক্ষাৰ দায়িত্ব পুডুচেৰী আৰক্ষী বাহিনীৰ হাতত অৰ্পণ কৰা হৈছে।

উল্লেখযোগ্য যে ৰাষ্ট্ৰপতিৰ পুলিচ কালাৰ প্ৰদান কৰাৰ লগে লগে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ভিতৰত পুডুচেৰী এই সন্মান লাভ কৰা দেশৰ অষ্টাদশ অঞ্চল হিচাপে পৰিগণিত হৈছে। এই অনুষ্ঠানত পুডুচেৰীৰ উপ-ৰাজ্যপালৰ লগতে মুখ্যমন্ত্ৰী এন ৰংগস্বামী আৰু আন আন বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০

প্ৰধান মন্ত্ৰী আৱাস যোজনা নগৰীয়া, পি এম এ ওৱাই ইউ আৰু পি এম এ ওৱাই ইউৰ দ্বিতীয় পৰ্যায়ৰ অধীনত এতিয়ালৈকে ১ কোটি ২৫ লাখৰো অধিক গৃহৰ অনুমোদন জনোৱা হৈছে বুলি গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। সমগ্ৰ দেশত ইয়াৰে ১ কোটিৰো অধিক গৃহ নিৰ্মাণৰ কাম সম্পন্ন কৰি হিতাধিকাৰীসকলক প্ৰদান কৰা হৈছে আৰু প্ৰায় ১ কোটি বাসগৃহ মহিলাৰ নামত আবণ্টন কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে পি এম এ ওৱাই ইউৰ দ্বিতীয় পৰ্যায়ৰ অধীনত অন্ধ্ৰ প্ৰদেশ, অৰুণাচল প্ৰদেশ, বিহাৰ, ছত্তিশগড়, গুজৰাট, জম্মু-কাশ্মীৰ, ঝাৰখণ্ড, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, মণিপুৰ, ওড়িশা, ৰাজস্থান, তামিলনাডু, তেলেংগানা, উত্তৰ প্ৰদেশ আৰু উত্তৰাখণ্ডকে ধৰি ১৬খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ ২ লাখ ৯ হাজাৰৰো অধিক পৰিয়াললৈ বাসগৃহ আগবঢ়োৱা হৈছে। ইয়াৰ ভিতৰত ২ লাখ ৩ হাজাৰৰো অধিক বাসগৃহ মহিলাৰ নামত আবণ্টন কৰা হৈছে। ১৬ হাজাৰ ৬০০ৰো অধিক বাসগৃহ জ্যেষ্ঠ নাগৰিকৰ নামত আবণ্টন কৰাৰ বিপৰীতে প্ৰায় ২২ হাজাৰ বাসগৃহ অনুসূচিত জাতিৰ হিতাধিকাৰী আৰু ১৪ হাজাৰৰো অধিক বাসগৃহ অনুসূচিত জনজাতিৰ হিতাধিকাৰীক আবণ্টন দিয়া হৈছে। আনহাতে, ৭৫ হাজাৰৰো অধিক অন্যান্য পিছপৰা শ্ৰেণীৰ হিতাধিকাৰীক আবণ্টন দিয়া হৈছে। কেন্দ্ৰীয় আবণ্টন আৰু নিৰীক্ষণ কমিটীৰ বৈঠকত গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব সতেন্দ্ৰ সিঙে এই আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। বৈঠকত তেওঁ এই আঁচনিৰ সুবিধা যোগ্য হিতাধিকাৰীসকলে যাতে লাভ কৰে তাক নিশ্চিত কৰাৰ লগতে সময়মতে কাৰ্যকৰীকৰণ পুঁজি মুকলি কৰি দিয়া আৰু নিৰীক্ষণৰ কামবোৰ হয় তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০

অসমত শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট, আৰু গোলাঘাট জিলাত আজিৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হৈছে। প্ৰথম পৰ্যায়ৰ জৰীপ অহা ৩০ আগষ্টলৈ চলিব।

ৰাজ্যখনৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১২ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে। বানত ৪৬০ খন গাঁৱৰ ১ লাখ ৪৭ হাজাৰ ৩৭৪ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ১০ হাজাৰ ৫৯৯ দশমিক ৮-৯ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বানত সম্প্ৰতি মৃত্যু হোৱা লোকৰ সংখ্যা ৯৯ হৈছেগৈ।

০০০০

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি খাদ্য তথা ৰাজহুৱা বিতৰণ বিভাগৰ সচিব আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত চেনীৰ বৰ্তমান মজুতকৰণ, উৎপাদনৰ পৰিমাণ আৰু চলিত ঋতুত ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে মূল্যায়ন কৰে। এই বৈঠকৰ সময়ত শ্ৰীযোশীয়ে চেনীৰ পৰ্যাপ্ত মজুতকৰণ আৰু সমগ্ৰ ঋতুতে ইয়াৰ সুস্থিৰ যোগান নিশ্চিত কৰিবলৈ সময়োপযোগী ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০

ইৰান-সমৰ্থিত সশস্ত্ৰ সংগঠন হুথিয়ে চৌদি আৰবৰ জাজানস্থিত আৰামকো তেল শোধনাগাৰত হোৱা ড্ৰোন আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। হুথিৰ মুখপাত্ৰ ইয়াহিয়া ছাৰীয়ে কয় যে, চৌদি ড্ৰোনে য়েমেনৰ হাজ্জাহ আৰু ছা'দাহ প্ৰদেশৰ ওপৰেৰে থকা য়েমেনৰ আকাশসীমা উলংঘা কৰাৰ অভিযোগৰ প্ৰতিবাদত সংগঠনটোৱে শোধনাগাৰটো আক্ৰমণৰ লক্ষ্য কৰি লৈছিল।

ইয়াৰ পূৰ্বে ছৌদি আৰৱৰ শক্তি মন্ত্ৰালয়ৰ তথ্য অনুসৰি আৰামকো শোধনাগাৰৰ এটা অঞ্চলত জুই লাগিছিল আৰু ঘটনাটো নিয়ন্ত্ৰণলৈ অনা হৈছে লগতে এই ঘটনাত কোনো লোক হতাহত হোৱা নাই। অৱশ্যে মন্ত্ৰালয়ে জুই লগাৰ কাৰণ স্পষ্ট কৰা নাছিল। এই শেহতীয়া আক্ৰমণটো হুথিয়ে ছৌদি আৰৱ আৰু লোহিত সাগৰত চলাচল কৰা জাহাজলৈ বুলি লক্ষ্য কৰি চলাই অহা একাধিক ক্ষেপণাস্ত্ৰ আৰু ড্ৰোন আক্ৰমণৰ এটা অংশ।

০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এৰ সন্দৰ্ভত মন্ত্ৰালয়ৰ সচিব আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীযোশীয়ে কয় যে এই বৈঠকত প্ৰতিষ্ঠানিক ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লগতে এটা ফলপ্ৰসূ ব্যৱস্থা গঢ়ি তুলি শিক্ষাৰ প্ৰতি অধিক দায়বদ্ধতা নিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ বিষয়ে আলোচনা কৰা হয়। তেওঁ কয় যে এটা দৃঢ়, স্বচ্ছ আৰু বিশ্বাসযোগ্য পৰীক্ষা ব্যৱস্থা গঢ়ি তুলি প্ৰতিগৰাকী শিক্ষাৰ্থীৰ আকাংক্ষা পূৰণ কৰাটোৱেই চৰকাৰৰ মূল লক্ষ্য।

০০০০

ঃঃ সমাপ্ত ঃঃ